Year of publication 1923

# সুবর্ণ প্রতিমা

প্রকাশক

শ্রীকেশবকান্ত বরুৱা

# সুবৰ্ণ প্ৰতিমা।

DHSK COLLEGE
LIBRARY
Accession No A/433
Call No 891.451/BAR

প্ৰকাশক
শ্ৰীকেশবকান্ত বৰুৱা।
তেজপুৰ, আসাম।

কলিকতা,
৬নং কলেজ-স্কোয়াৰ, সাম্য-প্ৰেছত,
শ্ৰীউপেন্দ্ৰনাথ দাসৰ দ্বাৰা ছপা হ'ল।

১৯২৩।

# পাতনি।

—:*:—

এই ক্ষুদ্র পুথিখনিৰ পাতনি লিখিবলৈ গলে মন সঙ্কোচ হৈ আহে। চমুকৈ কবলৈ হলে ই কেৱল ৰূপে গুণে শ্ৰেষ্ঠ জাঁকত জিলিকা মৰমৰ কন্যা সুবৰ্ণৰ মৃত্যুত হৃদি-সৰোবৰত ক্ষুব্ধ মনৰ দুখ শোকৰ ঘাত প্ৰতিঘাতৰ পৰা উৎপন্ন হোৱা হৃদয়বিদাৰক শোক লহৰী মাথোন। এই শোকৰ লহৰী ক্ষুদ্ৰাত্মাৰ অন্তৰ ৰাজ্যত নধৰা হৈ বেচি চেপাত উইঁ লই চকুৰলোৱে ভাই-বন্ধু ইষ্টমিত্ৰ ইত্যাদিক্ৰমে স্বদেশবাসী ৰাইজৰ আগলৈ আগ বাঢ়িছে। দুখ শোকৰ কথা লোকৰ আগত প্ৰকাশ কৰিলে অনেক গুণে পাতলে। সেই কাৰণে এই ক্ষুদ্ৰ পুথিৰ দ্বাৰাই সন্তপ্ত পৰিয়ালক হৃদয় বেদনা আৰু ৰূপেগুণে কথায় বাৰ্ত্তায় লৱণী স্বৰূপা "মেমেৰ" শোক সোঁৱৰণিৰূপে ৰাইজৰ আগত ডাঙ্গি ধৰিবলৈ আগ বাঢ়িলো।

বিনীত

শ্ৰীকেশবকান্ত বৰুৱা।

তেজপুৰ, আসাম।
২০শে মাৰ্চ্চ, ১৯২৩।



# মেমেলৈ।

—ঃ০ঃ—

মেমে !

স্বৰগৰ দেবী তুমি শাপভ্ৰষ্টা হৈ
আহিছিলা মৰতত জনম লভিব।
দেবী তুল্য কাম কৰি মোহি সকলোকে
স্বৰগলৈ গলা তুমি শাপ মুক্তা হৈ
ৰূপত লখিমী তুমি গুণে সৰস্বতী
দহ বছৰতে তুমি দেখালা সৱাকে।
আচৰিত কাম কৰি আচৰিত হৈ
আচৰিত ভাৱে তুমি কৰিলাহে গতি।
সভাসমিতিত তুমি সঙ্গীতৰ মধুতান তুলি।
হৈছিলা সকলোৰে প্ৰশংসাৰ পাত্ৰ।
সকলোকে মোহিছিলা সঙ্গীতৰ তানে।
অকালতে গলা কিন্তু সকলোকে ভুলি
ঘৰৰ সৌন্দৰ্য্য তুমি আছিলাহে মেমে
জিলিকাই ৰাখিছিলা দুখীয়াৰ ঘৰ।
ঘৰ শুৱনী নাম তৱ সেই কাৰণেই
অশুৱনী ঘৰ আজি তৱ অবিহনে।
গহীন গম্ভীৰ তুমি আছিলা স্বভাৱে
জাকত জিলিকা তুমি আছিলা সৱাতে॥

সোণাৰ প্ৰতিমা যেন তোমাৰ ৰূপটি
ৰই ৰই একে থৰে চায় সকলোৱে ॥
হাতত সদাই তৱ পুস্তক বিৰাজে।
বিদ্যাত তোমা সম নাই কাৰো ৰতি
"বিদ্যাহীন হোৱাতকৈ মৃত্যু শ্ৰেষ্ঠতৰ'
এয়ে তব মূল কথা হৃদয়ৰ মাজে।
মৰণৰ আগলৈকে বিদ্যাকে চৰ্চ্চিলা
বিদ্যাত আছিলা তুমি সৰস্বতী যেন
ডাঙ্গৰে নজনা বিদ্যা জানিছিলা তুমি
সৰুতেই তুমি অতি বিদুষী আছিলা।
বীণাপাণি নাম তোমাৰেই আবিষ্কাৰ
জ্ঞানোদ্দীপিকা সভাকীৰ্ত্তি।
অতি সুমধুৰ তান ধৰি
তুমিয়েই তুলিছিলা বীণাৰ ঝঙ্কাৰ।
তোমাৰ ই "বীণাপাণি" অৰ্পণ তোমাতে
কৰিলো অভাগা ককায়েৰে।
স্বৰগৰ দেবী তুমি আছা এবে হে
"বীণাপাণি" ৰাখিবা জীবিতে ॥

তোমাৰ অভাগা ককায়েৰ

"বীণাপাণি" ঘৰুৱা কাকতৰ পৰা উদ্ধৃত।

চতৰ সংখ্যা।

DIBRUGARH COLLEGE

# সুবৰ্ণ প্ৰতিমা।

স্বৰ্ণ প্ৰতিমা মোৰ ক'তে হেৰুৱালোঁ।
অকালে নিঠুৰ কাল হাতে সমৰ্পিলোঁ॥
নেদেখি তোমাৰ পট হৃদি চটফট।
হিয়াৰ দুকুল ভাগে উচুপো শোকত॥
কোমল নিজৰা ভেদি চকুৰ উহত।
দুধাৰা চকুলো ভাহে দুগালত॥
চকুৰে নমনো মই নুশুনো কানেৰে।
দেখা পাওঁ বুলি খপোঁ আন্ধাৰে আন্ধাৰে॥
সোণৰ পুতলা "মেমে" আছা তুমি ক'ত।
নেদেখো দুনাই কিয় চকুৰ আগত॥
শোকতে বলিয়া হৈ চাই একেথিৰে।
আঁকো স্বৰ্ণ প্ৰতিমা মন লিখনিৰে॥
ৰূপে গুণে সৰস্বতী মুখশ্ৰী নিৰিখি।
প্ৰতিমা প্ৰতিমা হেন, লাগে তোক দেখি॥

চেনেহ শিকলি খুলি আজি ক'তে গলি।
নেমাত কিয়বা "আইটা" "দেউতা" বুলি ॥
নিশাৰ সপোন সকলোৱে ছায়ামায়া।
এই আছে এই নাই মৃত্তিকাৰ দেহা ॥
নোৱাৰি শান্তিব হায়, তাপিত পৰাণ।
সন্তাপে দগধ হিয়া দেহা অৱসান ॥
কিনো সঁতে পাহৰিম প্ৰতিমা মূৰুতি।
সঘনে ফলকে হৃদি মন ছাটিফুটি ॥
শোকৰ খলকি হৃদি থৌকি বা থউকি।
মহাৰাত্ৰি উঠে দাপি মোহজাল ঘাঁগি ॥
জল্পনা কল্পনা আগে কালৰাত্ৰি বজা।
চ্যবন আশ্ৰম কথা ৰুদ্ৰ পদ ধ্বজা ॥
গন্তকামী লগে ভাগে দিন নিৰূপিলে।
ৰবি প্ৰাতসতে বুলি দিহাদিহি গ'লে ॥
দেখোঁ আহি শয্যাসনে আছে শুই "মেমে"।
নিৰলে নিস্তব্ধে দেহি যাওঁ ইষ্টকামে ॥
নকৰো আমনি মই জগাওঁ ডুনাই।
ক্ষন্তেক বিশ্ৰাম নাই দিনৰ চেগাই ॥
ইষ্টাৰ্চ্চন সমাপিলো ক্ষুধা নিবৰ্ত্তিলো।
লৰালৰি কৰি দুয়ো সুবৰ্ণে মাতিলো ॥
ভাবো মনে মনে মই জিৰণি ভাগৰ।
দিনৰ ছেগত "মেমে" কোলাতে হে মোৰ ॥

হৃদয় বিদৰে হায় সি কথা ভাবিলে।
"দেউতা" "দেউতা" কোলা, আগে ঠিয় দিলে ॥
দিনমানে ঘণ্টা চাৰি বাদে কোলা উঠি।
জীৱনৰ শেষ ভাবি সবে দিলে পিঠি ॥
নাই মুখে হাঁহি মাত নুৰুচে একোকে।
বেজাৰে নিজাৰ প্ৰায় ম্ৰিয়মান থাকে ॥
ইফাল সিফাল কৰি লওঁ চোতালত।
উপস্থিত কয় মোক তুলসী কাষত ॥
তিনি প্ৰদক্ষিণো মই তুলসী জোপাক।
কিনো ভাবি আয়ে কয় "দেউতা ঘূৰক" ॥
লগাওঁ মনত ৰঙ্গ ভাবি এই কথা।
তোমাৰ কথাকে পালো, আজি সেয়ে ব্যথা ॥
উশাঘৰ পীড়নৰ নাড়ীৰ বিকলে।
ভেষজৰ দ্ৰব্য গুণ সকলো বিফলে ॥
কৰে প্ৰত্যুত্তৰ আয়ে "নেখাওঁ একোকে"।
ভোক নাই জানা মোৰ খোৱা তোমালোকে ॥
মাৰে কয় "মেমে" কাপোৰ-কানি দলিয়াই।
হাত-ভৰি উদঙ্গাই আছা চেঁচা কই ॥
"আইদেউ সাগু কৰ, মেমে খাবলৈ"।
এই বুলি মাৰে বুকে নিয়ে কোলাকৈ ॥
"কিয় আই খংকৰা নেখাওঁ বুলি কোৱা।
কাপোৰ কানি দলিয়াই আছা তুমি চোৱা" ॥

কাপোৰেৰে মেৰিয়াই লই সুখাসনে।
আছে মিনিট পাঁচ দুইবো মাজে "মেমে"॥
চকু পসাৰিলা দেখোঁ নিশ্বাসৰ শেষ।
"মেমে" "মেমে" বুলি মাতোঁ নাই সংজ্ঞা লেশ॥
মাৰে বাপে মিলি ৰোল, বিপদে আতুৰ।
ভাই ভগিনীৰ তাতে খলকে সিটোল॥
কোলাত কৰি মই নিজে দিওঁ জল মুখে।
ক্ষন্তেকৰ পাছে দেখো চকু মেলি দেখে॥
আইতা বুলিহে বেথে মৰম চিয়ঁৰে।
শোক সিন্ধু জলে মাৰে আকোৱালি ধৰে॥
ছাপিকুচি আহে লোক ঘৰৰ কাষৰ।
ভৰিল সিথলি আহি জনতা লোকৰ॥
লৰালৰি যায় কোনো, ডাক্তৰ উদ্দেশি।
আন্ধাৰ আন্ধাৰ লাগে সেই কাল নিশি॥
দিহা পহা কৰি সৰে দিয়ে জল সেক।
প্ৰমোদ, সতীশ বাবু, কামিনী শিক্ষক॥
কস্তুৰী-মকৰধ্বজে তোলে শৰীৰৰ তাপ।
সঞ্চাৰ শক্তিৰ মাত্ৰা কথাৰ আলাপ॥
ডাক্তৰ প্ৰবেশে আহি ৰোগীক নিৰিখে।
ইকাটি সিকাটি কৰা নিদিবা প্ৰকাশে॥
চটফট কৰি "মেমে" উশাহ নেপায়।
চিটহৈ পৰি থাকি যন্ত্ৰণা বেচাই॥

কতক্ষণ সহ্য কৰে ইহেন যন্ত্ৰণা।
অন্তত নোৱাৰি কয় কিনো বিড়ম্বনা॥
নোৱাৰি সহিব নিজে ইকাটি সিকাটি।
কৰি উশাহ নিশাহে লাঘৱে ব্যথাটি॥
ক্ষীণকণ্ঠে কয় দেখা অন্ধকাৰ সৱ!
আহিছিল নিম বুলি যম দেবতায়॥

"দেউতা!

বাহিৰৈল লক মোক কম এটি কথা।"
কবা মোৰ আই বাৰু এৱে শুই থাকা॥
দিয়া আনি হিন্দু-সৰ্ব্বস্ব শিৱত লগা'য়।
এইদৰে আয়ে মোক কতনো জনায়॥
বম শিৱ ভোলানাথ মুখত সঘনে।
ক্ষীণকণ্ঠে ক্ষীণস্বৰে লয় সযতনে॥
কামিনী, প্ৰমোদ বাবু শেকে দুই ভৰি।
তপত পানীৰে ঘনে ইটি সিটি কৰি।
"সুবৰ্ণ" "সুবৰ্ণ" বুলি কামিনী বোপাই।
ডাক্তৰৰ ঔষধ মুখে ঢালেহি যতাই॥
সিতানৰ কাষে মই, মাজত জননী।
শুশ্ৰূষে ভৰিৰ চোৱা বন্ধুৱে কামিনী॥
ডাক্তৰৰ ভেষজত বকে কিবা কিবা।
ঘটিকা আন্দাজ কাল কথা ঠোটা মোজা॥

এইদৰে ৰাতি প্ৰায় বাজে এক দেড় ।
দিহাদিহি লৰা বুঢ়া যায় ওচৰৰ ॥
কামিনী মাষ্টৰ বোপা আৰু লৰা দুই ।
দিয়ে পৰ-পালি টোপনি দমাই ॥
লৰাৰ নিঃস্বাৰ্থ সেৱা আৰু শিক্ষকৰ ।
এজনৰ বিপদত চানেকী লোকৰ ॥
চিন্তো মই ঐকান্তিকে প্ৰভু বিশ্বনাথে ।
গলদশ্ৰু স্তৱে তুষ্ট, ৰাখিবা অনাথে ॥
এইদৰে যায় ঘণ্টা দুই এক আৰু ।
ছাটিফুটি কৰে প্ৰাণ খোৱা ভাঙ্গ লাৰু ॥
ক্ষণে উঠো ক্ষণে বহোঁ ক্ষণে পুথি পঢ়ো ।
"মেমেৰ" শিৰত থাকি শিৰোঘ্ৰাণ কৰোঁ ॥
অক্লান্ত মাৱৰ সেৱা সন্ততিৰ লাগি ।
নিজৰ কোলাত ৰাখে দেহেকেহে তাকি ॥
এইদৰে দুই তিনি ঘড়িত বাজিল ।
উমি উমি তাপ পুনু শৰীৰে আহিল ॥
মৰণৰ তৃষ্ণা আহি অদম্য ভাৱেৰে ।
আক্ৰমিলে পুনু দেহা কালৰ কৰালে ॥
পানী দিয়া পানী দিয়া সকৰুণ স্বৰে ।
কয় পানী দিয়া হেৰা কামিনী শৰ্ম্মাৰে ॥
নহই সন্তোষ তাতে ধৰে হাবিয়াসে ।
নিজ হাতে ধৰি পিয়ে একই গৰাহে ॥

পানো পানী ঘনে ঘনে দিয়া হেৰা দিয়া।
টোপা টোপা চামোচেৰে ৰাক্ক আই থোৱা ॥
তৃপিতি নেপায় পুনু কয় আথেবেথে।
"হেৰা তিলক," "তিলক" পানী দিয়া মোকে ॥
পানী কাউৰী হবা যদি নিদিয়াহে।
বাটি ভৰাই দিয়া তৃপিতি সাধাহে ॥
ইহেন অৱস্থা দেখি হৃদয় বিদৰে।
লাগে ছাটিফুটি মন সকলো বিফলে ॥
সজ্ঞানেৰে কয় কথা মাৱে বাপে তথা।
সজল চকুৰে প্ৰকাশে মনৰ ব্যথা ॥
ঘণ্টা ডুই দেড় আগে মৰণৰ কালে।
"পোহৰ পোহৰ" কয় দেখো চাৰিফালে ॥
"বম বম ভোলানাথ" মুখত সঘনে।
"যাম মই কৈলাসলৈ" ভাবো ভ্ৰম হেনে ॥
ছিয়ালা সঙ্কেটে তুমি যদিও নুশুনো।
মায়া দোল মোহে পৰি নাভাবো অকলে ॥
মৃত্যুকালে সাধকৰ সাধনাৰ ফলে।
জ্যোতি ৰথে দিব্যলোকে গতি যেন মিলে ॥
তাকেই প্ৰকাশ তুমি কৰিলা ছলেৰে।
মুখে মুখ দিয়া আই চেনেহ চকুৰে ॥
কত সাধনাৰ ফলে ঈশ নাম মুখে।
অন্তকালে সজ্ঞানেৰে লোৱে ভক্তলোকে ॥

বয়সে কুমাৰী তুমি জ্ঞানে বৃদ্ধ ছিলা ।
সজ্ঞানে মোহৰ জাল যিৰূপে ছেদিলা ॥
মৃত্যুৰ আগতে তুমি কলা "আইটা লোৱা" ।
চেনেহৰ ভনীটিৰ কাষে শোওঁ দিয়া ॥
থাকা বাৰু আই তুমি পাচে শুবা গই ।
নাহিল মনত কাৰো অন্তৰ বিদায় ॥
মাতৃৰ আবাসে তুমি নিস্তব্ধ মনেৰে ।
থাকি ক্ষন্তেক সময় কোৱা "ভোক মোৰে" ॥
ডাকে মাৱে দেউতিক চাগু কৰ বুলি ।
উঠি মেলে মানে ক্ষণে কোৱা তুমি ঘূৰি ॥
"আইটা কথা এটি কও" ধৰি আকোৱালি ।
"নেমুটেঙ্গা লোণ দিয়া" খাবলৈ বুলি ॥
নেভাবি যুগুত মাৱে টেঙ্গা খাবলৈ দিয়া ।
বুলি মাৱে তিলকক কয় লোণ চোৱা ॥
আনি দিয়ে নামকই আঙ্গলি আগেৰে ।
আথেবেথে মুৰডাঙ্গি চেলেকে তৃপ্তিৰে ॥
পাঁচত মাৰিলে টং মাঘ গুৰু বাসৰীয়া ।
শুকুৰৰ ব্ৰাহ্মক্ষণে শুকৃলা দ্বিতীয়া ॥
মিনিট দুই পাঁচ থাকি ললাহে বিদায় ।
"বাইদেউ" "দেউতি" বুলি চিৰকাল লই ॥
শিবসম্ভূ বুলি মুখে চকু পসাৰিলা ।
কি কৰ কি কৰ আই আৰু নুঘুৰালা ॥

স্বৰ্ণ স্বৰ্ণ বুলি কোলালৈ কৰি।
সংজ্ঞাহীনে বাহিৰলৈ নিওঁ লৰালৰি ॥
কান্দোনৰ বোলে ঠাই খলকি লাগিল।
বাই ভাই সকলোৰে স্বৰগ ভাগিল ॥
ইনাই বিনাই কান্দে বলীয়া সোনটি।
"মেমে অ, মেমে অ" বুলি তোমাৰ ভাইটি ॥
মৃত্যুৰ আগতে তাক দেখি সন্মুখত।
হেপাহ চকুৰে চাই বিদায় বেকত ॥
কোনেনো সাবটি ধৰি সোনটি লাহৰি।
ফুৰাবলৈ নিব হায় আজি দিন ধৰি ॥
জকিও জিলিকা হৈ মৰম বেথাৰে।
মোহিছিলা সকলোকে লৱণী মাতেৰে ॥
ফুলনি মাজত যেনে ৰূপহী গোলাপ।
তেনেকৈ আইৰ প্ৰতি সকলোৰে ৰাপ ॥
ৰূপত অতুল দেখি অকন মামাই।
ঘৰ শুৱনী নামকই লোকক জনায় ॥
মইনা মাহীয়ে দেখি প্ৰফুল্ল বদন।
প্ৰফুল্লময়ী এইটোৰ নামৰ কৰণ ॥
কেচা সোন জেউতিত তোৰ দেহা সঁজা।
দেৱকন্যা জিনি আভা দুখীয়াৰ পঁজা ॥
সুবৰ্ণ ইনামে তোক সকলোৱে জনা।
ৰূপে গুণে আই মোৰ আছিল মোসনা ॥

দেউতি দেউতি বুলি কোনে উদগাব।
ঘৰুৱা ৰাকত বীণাপাণি উলিয়াব॥
বুদ্ধিৰ নিজৰা তাৰ তুমিয়ে ঠাৱৰ।
বলিছিল কুলুকুল সুৰলা তানৰ॥
শোকৰ তাপত পৰি শুকাল তটিনী।
হিচৰি পিচৰি বীণা ডোঙ্গা ডোঙ্গা পানী॥
নাই সোঁত উদগণি সেই চিত্ৰলেখা।
তোমাৰ বিহনে তাৰ মুখে শোক ৰেখা॥
খেলাৰ পুতলা "মেমে" কালৰ বুকত।
কান্দিছে শোকেত তোৰ ককাই চুকত॥
সযতনে সজা তোৰ দৰাৰ পুতলি।
কোনে নো খেলাব আজি ভনীটি লাহৰী॥
"মেমে" গল "মেমে" গল "মেমে" ক'ত গল।
মইনা হতে লই গল ভাল মাই ঘৰ॥
শোকত হামুনি কাঢ়ে সজল চকুৰে।
কতনো আমনি হায় মনৰ বেজাৰে॥
নাই তুমি সংসাৰত জানিলে ঠাৱৰ।
মৃতাহ দ্বাদশ দিনে তোৰ সকামৰ॥
উথলে হিয়াৰ শোক বিদৰে পৰাণ।
কিৰূপে প্ৰকাশো মই কাৰ্য্য নিকৰণ।
বিধিৰ লিখন যিবা পূৰ্ব্ব প্ৰাক্তনৰ
সঞ্চিত বীজৰ ফল কিবা কপালৰ॥

পুত্র কন্যা মিলি কৰে পিতাৰ অন্ত্যেষ্টি।
তাৰ বিপৰীত যাৰ তাৰে মহাবিষ্টি ॥
গ্রহবিষ্টে দুৰদৃষ্টে মোৰে সি ঘটন।
অকালতে হেৰুৱাই কন্যা অতুলন ॥
ব্রাহ্মণক আগে কৰি হা হামুনিযাই।
বাহিৰিলো সম্মুখত ৰাধিকা বোপাই ॥
দিলে মোক হাতে তুলি অস্থিৰ চুঙ্গাটি।
ৰাখিছিল আনি কত ধুপান্তে দেহাটি ॥
জৰ্জ্জৰিত প্ৰাণ মোৰ পৰশা মাত্ৰকে।
সুবৰ্ণ প্রতিমা ভস্ম হিয়াৰ ফলকে ॥
অশৰীৰা আই তই সশৰীৰী মোক।
কবি নে কতে বা আছ হৃদয় শাতোক ॥
চকুৰ আগতে আঁকো দুচকু লোতকে।
ধৰফৰ কৰে মন আজি তোৰ শোকে ॥
কাঠৰ কঠুৱা হৈ যাওঁ নৈ ঘাটত।
চৰণেহে জানে গতি কিমান হুঁচত ॥
স্নায়ী ব্ৰহ্মপুত্ৰ জলে ব্ৰাহ্মণ বচনে।
শ্মশানবাসী শঙ্কৰে আৰাধো জীৱনে ॥
কন্যাৰ সদ্গতি অৰ্থে জল পিণ্ডে তৰ্পো।
নিৰয় উত্তৰি যায় লভি দিব্য বপু।
আচাণ্ডাল দ্বিজাতিৰ পূজ্য তুমি দেৱ।
শ্মশানতো পূজ্য তুমি সৱে কৰে সেৱ ॥

গৃহীৰ মঙ্গলদাতা শিৱ আশুতোষ ।
সুবৰ্ণ হেৰাই ভাবো কিবা মোৰ দোষ ॥
অকাল মৰণ কিয়, ঘৰত অশান্তি ।
শঙ্কৰ ই নামে কয় আত্মা লভে শান্তি ॥
শৱ ভস্ম বিলেপন তৱ অঙ্গৰাগ ।
গৃহীৰ আদৰ্শ তুমি সংসাৰী বৈৰাগ ॥
ঘৰে পৰে শ্মশানতো আনন্দ মুকুতি ।
দেখোৱা সংসাৰী নৰে তোমাৰ বিভূতি ॥
ক্ষুদ্ৰ নৰ ক্ষুদ্ৰ অতি নাই বুদ্ধি স্মৃতি।
শোক-তাপ-বন্যা ৰোধো নাই মোৰ শক্তি ॥
আসন টলিল মোৰ হৃদয় কঁপিল ।
সংসাৰ পৰীক্ষা মোৰ ভীষণ বাজিল ॥
শোকৰ বন্যাত ভাহে ই ভেলা শৰীৰ ।
উষুমা উশ্বাসে জৰজৰে চকু নীৰ ॥
মুদাওঁ মোক্ষদা নাম অতি কষ্টে মষ্টে ।
মুদিবনে যিবা কষ্ট আছিল অদৃষ্টে ॥
সমাপি সকলো কাম নইৰ কাষৰ ।
পুনু স্নায়ী নদী জলে আহিলো বাহৰ ॥
সহজে কোমলা হিয়া জননী জাতিৰ ।
কিৰূপে চকুৰে চায় সন্ততিৰ পিড় ॥
আইদেউক আগে কৰি লাহৰীক লই ।
শাঁতো তাপিমনে কৰি তুৰৱা ঘৰত গৈ ॥

আকাশ পাতালে ক'তে ভাবে "মেমে" সদা।
ক'তে মোৰ গলি "মেমে" কৰি বুকু সুদা॥
যায় দেখে নাই শান্তি কতো ঘৰে পৰে।
কিয় আনে অসুখীয়া আনৰ বেজাৰে॥
কেনেবা কেনেবা তাতে লাহৰী আমনি।
নেদেখি মেমেক ভাত কান্দে ঠুনঠুনি॥
নুরুচে নেখায় দিলে যেতেক আদৰে।
জানিলে ঠিৰাং কৰি নেদেখো মেনেৰে॥
কাৰ্য্য সাঙ্গ অনুমানি আহিলে ঘৰত।
কন্যাৰ সদ্গতি অৰ্থে সেৱা অভ্যাগত॥
মৃত্যুৰ আগতে পঢ়ি স্কন্দ দুই ভাগ।
কৈছিলা এদিন তুমি আইতাৰ আগ॥
শিৱনাম তুল্য একো নোহে ত্ৰিভুবন।
শেষ নিশ্বাসতো সেয়ে শিৱ উচ্চাৰণ॥
যক আই কৈলাসলৈ মুখেৰে প্ৰকাশে।
টলটলে চকু লোৱে শোকৰ উশ্বাসে॥
কৰিলা প্ৰয়ান তুমি কৈলাস ভুবনে।
কিছুদিন মৰ্ত্ত্যে থাকি আত্মাৰ বন্ধনে॥
পাপ তাপ সংসাৰৰ ক'তে ছিদ্ৰ পায়।
দেখোতে কুমাৰী কোনে বুদ্ধিৰে ঘটায়॥
দুদিনীয়া বেহা লই আহি মৰতলৈ।
কিবা সঙ্কলেৰে পুনু গলা স্বস্থানলৈ॥

জনম মৰণ দুয়ো চকা অব্যক্তেৰে।
জীৱন বছৰ দহ নধৰে মনেৰে॥
কন্দুয়াই গলা তুমি কান্দে ভাই ভনী।
চেনেহ শিকলি ছিগি জীৱ অথাৱনি॥
বুদ্ধিৰূপা জননীয়ে কয় কাণে কাণে।
সুধীৰ বচনে মনে প্ৰবোধ নামানে॥
মোৰ বস্তু মোতে থিতি মোতে হয় লীন।
জীৱন মৰণ জানা মোৰেহে অধীন॥
মোহৰ জালত পৰি অবুজন মন।
কন্যাৰত্ন হেৰুৱাই জীৱ উচাতন॥
বেমাৰৰ দিন ধৰি বুকত সুমাই।
ৰাখিলো যতন কৰি বিফল সোপাই॥
প্ৰাণপখী উৰি গল হৃদি চমকাই।
তুলসীৰ তলে আই ৰাখিলো নমাই॥
হৃদয় বিদৰে হায় ভাবিলে বিলাই।
হৃদয় সুবৰ্ণ-মণি ক'তে গলা হায়॥
এই কিহে দয়াময়ী জগত জননী।
মোৰ প্ৰতি আজি তুমি হলাহে পাষাণী॥
পাষাণেৰে বান্ধি হিয়া তোমাৰ আজ্ঞাৰে।
ভাবো মনে দাহ কাৰ্য্য সম্পাদো কি দৰে॥
আছিল দুৱৰা দেও অতি প্ৰাতসত।
সময়ৰ দিহাপহা ললেহি হাতত॥

জীৱন মৰণে বন্ধু পৰহিত ব্ৰতী।
সৎকাৰৰ দিহা কৰে ভুঞা ক্ষুণ্ণমতি ॥
দুৱৰাৰ লগে ভূঞা দুয়ো পৰামৰ্শে।
মুখাগ্নি কৰিব কোনে শুধিলো বিমৰ্ষে ॥
হিয়াত বাজিল শেল ইযাৰ কথায়।
কাকনো পঠাম কক শুধেনো ঘুৰাই ॥
বিষম সমস্যা মোৰ যদি যাওঁ নিজে।
কোনেনো শাঁতিব গৃহে শ্মশানৰ কাজে ॥
দেউতিক পঠাওঁ সিটো নোহে যুক্তিযুক্ত।
কুলমণি গুণীন্দ্ৰৰ শোকে আজিও বিদগ্ধ ॥
সুকোমল হিয়া তাৰ কিৰূপে সম্ভৱে।
চিতাকাঠে ভনী মুখে জুই সংযোজিব ॥
নহল সিদ্ধান্ত ভাল চলি গল ভূঞা।
শৱবাহী ছাত্ৰবৃন্দে আগে কৰি লৈয়া ॥
খলকি লাগিল ঠাই কান্দোন কাতনে।
ৰুদ্ধ শোকোশ্বাস বলে হিয়া ভেদি ঘনে ॥
আন্ধাৰ আন্ধৰ লাগে ভিতৰ সোমাই।
আত্মাই আত্মাক কাণে কয় মেমে নাই।
হিয়াৰ পুতলা চেৰা শ্মশানত লই।
পুৰিব ভষম কৈ নেদেখো দুনাই ॥
নামানে প্ৰবোধ মনে পৰহাতে দিয়া
হৃদয়ৰ বিদাৰক যিবা অন্তক্ৰিয়া ॥

বোধিলো শোকৰ বেগ যাওঁ শ্মশানলৈ ।
বিদায় মেমেক দিওঁ আজি চিৰদিনলৈ ॥
নহবা অধীৰ শোকে কওঁ পৰিজনে ।
মেমেৰ সদ্গতি অৰ্থে যোৱা যুক্ত মনে ॥
পাছে পাছে গতিবিধি নিৰখি হেপাহে ।
ষ্টেসনৰ কায়ে লগে চকু জলে ভাহে ॥
ৰাখিলে শৱৰ চাঙ্গি নইৰ কাষত ।
শিলেৰে আবৰা থলি ওগুড়ি প্ৰান্তত ॥
হৃদয়ৰ পোনা মেলো বাঘৰ চোঙ্গতে ।
কাল বাঘে চিঙ্গি নিলে কাল পেপাতেই ॥
কালৰ হাতত পৰি শিলনি দাঁতিত ।
ঘহনি পিহনি শোকে হিয়া জৰ্জ্জৰিত ॥
পাত্ৰৰ বিচাৰ জানা দেশকাল মতে ।
ক্ষণে আৰ্দ্ৰ ক্ষণে শুষ্ক যেয়ে যিবা মতে ॥
যিবা শুনে যিবা পঢ়ে সিও সকৰুণ ।
কালৰ হাতত হায় মই নিকৰুণ ॥
স্নানিলো মেমেৰ শৱ কলহৰ জলে ।
কিবা কিবা বুকু সুদা সজল চকুৰে ॥
বিদায়ে বিদৰে হিয়া পঢ়ে যেয়ে যতে ।
নিকৰুণ কাৰ্য্যবিধি জনকৰ হাতে ॥
নচলে লিখনি মোৰ হিয়া ঢুক ঢুক ।
আঁকো দৃশ্য কিবা কম প্ৰাণ বিদাৰক ॥

DHSK COLLEGE
LIBRARY
Accession No A/433
Call No 8